সঁচা অৰ্থত অসমত নগৰীকৰণ প্ৰক্ৰিয়া সঠিকভাৱে এতিয়াও আৰম্ভ হোৱা নাই বুলিব পাৰি। উদাহৰণস্বৰূপে 2001 চনত অসমত মাথোন 12.90 শতাংশ মানুহ নগৰ অঞ্চলত বসবাস কৰিছিল। ইয়াৰে 13.33 শতাংশ পুৰুষ আৰু 12.44 শতাংশ মহিলা। ঠিক একেদৰে 2011 চনৰ লোক পিয়ল মতে অসমৰ মুঠ জনসংখ্যাৰ মাথোন 14.080 শতাংশ লোক নগৰত বসবাস কৰে। নগৰীকৰণৰ কেইটামান সুবিধা আছে। সেইয়া হ'ল নগৰীকৰণে যৌথ পৰিয়ালৰ বিলুপ্তি ঘটায়, পৰিয়াল সীমিত কৰে, জনমুৰি আয় বৃদ্ধি কৰে, জীৱন নিৰ্বাহৰ মানদণ্ড বৃদ্ধি কৰে ইত্যাদি। কিন্তু অসমত নগৰীকৰণৰ অভাৱে জনসংখ্যা বৃদ্ধিত উৎসাহ জন্ম দিছে।

**সামাজিক কাৰণসমূহ (Social Factors) ঃ** অসমত জনসংখ্যা বৃদ্ধি পোৱাৰ বাবে কিছুমান সামাজিক কাৰণো জগৰীয়া। এই সামাজিক কাৰণসমূহ হ'ল—(১) সাৰ্বজনীন বিয়া (২) কম বয়সত বিয়া কৰোৱাৰ প্ৰথা (৩) নিৰক্ষৰতা (৪) ধৰ্মীয় আৰু সামাজিক দৃষ্টিভংগী (৫) অজ্ঞতা (৬) অন্যান্য কাৰণসমূহ। তলত এইসমূহক চমুকৈ আলোচনা কৰা হ'ল।

**(১) সাৰ্বজনীন বিয়া (Universality of Marriage) ঃ** অসমত বিয়া এক সাৰ্বজনীন প্ৰথা। আমাৰ দেশত প্ৰায় 92 শতাংশ মানুহ বিবাহপাশত আৱদ্ধ হয়। পুৰুষৰ ক্ষেত্ৰত 94 শতাংশ পুৰুষেই 40 বছৰৰ আগতেই বিবাহপাশত আৱদ্ধ হয়। পুনৰ 50 বছৰ বয়সৰ প্ৰতি 100 গৰাকী মহিলাৰ প্ৰায় 97 গৰাকী মহিলা বিবাহপাশত আৱদ্ধ হয়। অসমত বিবাহ এক প্ৰকাৰৰ সামাজিক স্বীকৃতি পুনৰ ই ধৰ্মীয় প্ৰয়োজনো পূৰণ কৰে। গতিকে দেশত বৈবাহিক সমন্ধ বেছি হোৱাৰ বাবে সন্তানৰ সংখ্যা বৃদ্ধি পায় আৰু জনসংখ্যাও বৃদ্ধি হয়।

**(২) কম বয়সত বিয়া কৰোৱাৰ প্ৰথা (Practice of Early Marriage) ঃ** অসমৰ প্ৰায় সকলোখিনি জনসাধাৰণেই গ্ৰাম্য জীৱন-যাপন কৰে। ফলত তেওঁলোকৰ জীৱন-যাপনৰ জটিলতা নেথাকে। গতিকে কম বয়সত বিয়া কৰোৱাৰ প্ৰথা বৰ্তমানতো বিদ্যমান। কথা হ'ল যিমানে কম বয়সত বিবাহ কাৰ্য সম্পাদন কৰে, সন্তান জন্ম দিব পৰা ক্ষমতাও সিমানে বেছি হয়। অসমত আইনসংগতভাৱেও 18 বছৰ বয়সত ছোৱালী আৰু 22 বছৰ বয়সত ল'ৰাই বিবাহপাশত আৱদ্ধ হ'ব পাৰে। গতিকে কম বয়সত বিবাহ কাৰ্য সম্পাদন হোৱাত

চৰকাৰী বাধাও দেখা নাযায়। আমাৰ মাজৰ এচাম লোকৰ মাজত আকৌ সন্তান ভগৱানৰ দান বুলি থকা এক ধাৰণাইও জনবিস্ফোৰণত অৰিহণা যোগাইছে।

(৩) **নিৰক্ষৰতা (Illiteracy)** ঃ অসমত শিক্ষিত হাৰ সাধাৰণতে উচ্চ বুলিব পাৰি। কিয়নো বৰ্তমানে অসমত 73.18 শতাংশ মানুহ শিক্ষিত। মহিলাৰ শিক্ষিতৰ হাৰ 67.27 আৰু পুৰুষৰ 78.1। অসমৰ চৰ-চাপৰি, শৰনাৰ্থী আদিসকলৰ মাজতহে শিক্ষিত হাৰ তেনেই নগণ্য। সচাঁ অৰ্থত শিক্ষাৰ বিস্তাৰ আৰু প্ৰজনন ক্ষমতাৰ মাজত এটা বিপৰীত সম্পৰ্ক আছে। গতিকে এনে চৰ-চাপৰি এলেকাত থকা লোকৰ মাজত সন্তান জন্মদানৰ ক্ষমতা অতি বেছি।

(৪) **ধৰ্মীয় আৰু সামাজিক দৃষ্টিভংগী (Religious and Social Attitudes)** ঃ ভাৰতীয় সমাজ ব্যৱস্থাৰ লগতে অসমৰ সমাজ ব্যৱস্থাতো "পৰিয়াল বৃদ্ধি" মানসিকতাই বিৰাজ কৰিছে। বৰ্তমানেও এই সমাজ ব্যৱস্থাই সন্ধানহীন পিতৃ-মাতৃৰ-সন্তানৰ প্ৰতি বিতশ্ৰদ্ধা প্ৰকাশ কৰা দেখা যায়। সন্তান বিবাহৰ অন্যতম লক্ষ্য হোৱাত দেশত জনসংখ্যা দিনক দিনে বৃদ্ধি পায়।

(৫) **অজ্ঞতা (Ignorance)** ঃ অসমৰ এনে কিছুমান এলেকা আছে য'ত মানুহে সন্তানক ঈশ্বৰৰ দান বুলিহে মানি লয়। কিন্তু সন্তান জন্ম দিয়া নিদিয়াটো যে বহু ক্ষেত্ৰত পিতৃ-মাতৃৰ ইচ্ছাধীন তাক তেওঁলোকে বুজি নেপায়। বৰ্তমান আমাৰ দেশত জন্ম নিয়ন্ত্ৰণৰ অনেক উপায় আছে। এই উপায়সমূহ অৱলম্বনৰ যোগেদি অতি সহজে জন্ম নিয়ন্ত্ৰণ কৰিব পাৰি। পৰিয়াল পৰিকল্পনাৰ আঁচনিবিলাকৰ সম্পৰ্কে যেনে এক বহুল প্ৰচাৰ হ'ব লাগিছিল সেইয়া সম্ভৱ হোৱা নাই। ফলত কিছুমান এলেকাত এতিয়াও জন্ম নিয়ন্ত্ৰণ বা পৰিয়াল পৰিকল্পনাৰ সহায় লোৱা নাই। সেয়েহে এনে আঁচনিৰ প্ৰতি অজ্ঞতা আৰু জনসংখ্যা বৃদ্ধিয়ে দেশত পেলাব পৰা কু-প্ৰভাৱবিলাকৰ সম্পৰ্কে জ্ঞানৰ অভাৱে আজিও দেশত জনসংখ্যা বৃদ্ধিত অৰিহণা যোগাইছে।

(৬) **অন্যান্য কাৰকসমূহ (Other Factors)** ঃ অসমৰ মানুহৰ মাজত এতিয়াও বহুবিবাহ প্ৰথা প্ৰচলন থকা দেখা যায়। যাৰফলত জনসংখ্যা বৃদ্ধিয়ে এক বিৰূপ প্ৰভাৱ পেলোৱাৰ সুযোগ পাইছে। দ্বিতীয়তে অসমত বৰ্তমানে বিধৱা বিবাহ প্ৰচলন আছে। এনে কাৰণতো জনসংখ্যা বৃদ্ধি পাইছে। তদুপৰি অসমৰ মাটি বৰ সাৰুৱা। গতিকে "বুটলিব জানিলে ইয়াৰ মাটিত সোণ পোৱা

যায়" বুলি এটা প্ৰবাদ আছে। সেয়েহে চুবুৰীয়া দেশ বাংলাদেশ আৰু নেপালৰ পৰা বৃহৎসংখ্যক অবৈধ প্ৰব্ৰজনকাৰী অসমলৈ আহি অসমৰ জনসংখ্যা বৃদ্ধিত অৰিহনা যোগাইছে।

2.6. **অসমত জনসংখ্যা বৃদ্ধি সমস্যাৰ প্ৰতিকাৰ (Remadies of Population Explosiou in Assam)** ঃ অসমত সৰ্বমুঠ মাটিকালি হ'ল 78438 বৰ্গকিলোমিটাৰ। পুনৰ 2011 চনৰ লোকপিয়ল মতে অসমৰ মুঠ জনসংখ্যা হ'ল 31169272। এইটো দিশৰ পৰা অসমত প্ৰতি কিলোমিটাৰত জনবসতিৰ ঘনত্ব হ'ল 397। কিন্তু দুখৰ বিষয় 2011 চনত ভাৰতৰ প্ৰতি কিলোমিটাৰত জনবসতিৰ ঘনত্ব হ'ল 382। আমি জানো বিশ্বৰ অন্যান্য দেশসমূহৰ তুলনাত ভাৰতৰ জনবসতিৰ ঘনত্ব হ'ল বহুত বেছি। গতিকে বহুতে ভাৰতক জনবহুল দেশ আখ্যা দিয়ে। এইটো দিশৰ পৰা অসম নিশ্চিতভাৱেই এক জনবহুল ৰাজ্য। এই জনবিস্ফোৰণে অসমত (১) নিবনুৱা সমস্যা (২) জনমুৰি আয়ৰ মন্থৰ বিকাশ (৩) দৰিদ্ৰতা সমস্যা (৪) খাদ্য দ্ৰব্যৰ সমস্যা (৫) স্বাস্থ্যখণ্ডত ব্যয় বৃদ্ধি (৬) শিক্ষাখণ্ডত চৰকাৰী ব্যয় উৰ্দ্ধগামী (৭) মূলধন গঠনৰ গতি হ্ৰাস (৮) কৃষিৰ ওপৰত ঋণাত্মক প্ৰভাৱ (৯) সমাজত বিভিন্ন ধৰণৰ সামাজিক সমস্যা (১০) পাৰিপাশ্বিকতাৰ ওপৰত বিৰূপ প্ৰভাৱ। (১১) জনসংখ্যা আৰু ভূমিৰ মাজৰ অনুপাত হ্ৰাস (১২) জীৱন নিৰ্বাহৰ মানদণ্ড নিম্নগতি (১৩) যাতায়ত যোগাযোগৰ খৰচ বৃদ্ধি (১৪) দ্ৰব্য সামগ্ৰীৰ চাহিদা বৃদ্ধি আদি এশ-এবুৰি সমস্যাৰ সৃষ্টি কৰিছে। গতিকে জনসংখ্যা বৃদ্ধি নামৰ এই সমস্যাটোৰ এটা সঠিক সমাধান থকা নিতান্ত দৰকাৰ। ইয়াৰ বাবে আমাৰ ৰাজ্যখনৰ চাৰি প্ৰকাৰ পৃথক-পৃথক প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন আছে। সেইয়া হ'ল— (১) অৰ্থনৈতিক সমস্যাসমূহ (২) সামাজিক সমস্যাসমূহ (৩) পৰিয়াল পৰিকল্পনাৰ ব্যৱস্থাসমূহ আৰু (৪) প্ৰশাসনিক ব্যৱস্থাসমূহ। তলত প্ৰতিবিধ ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হ'ল।

2.6.1 **অৰ্থনৈতিক ব্যৱস্থাসমূহ (Economic Measures)** ঃ অসমত দেখা দিয়া জনসংখ্যা সমস্যা সমাধান কৰিবলৈ আমি তলত উল্লেখ কৰা অৰ্থনৈতিক ব্যৱস্থাসমূহ গ্ৰহণ কৰিব পাৰো। এই ব্যৱস্থাসমূহ হ'ল— (ক) কৃষি আধুনিকীকৰণ (খ) উদ্যোগীক উন্নয়ন (গ) নগৰীকৰণ (ঘ) দৰিদ্ৰতা দূৰীকৰণ